
# শালপ্ৰাংশু



"HEARD MELODIES ARE SWEET, BUT THOSE UNHEARD ARE SWEETER"

সম্পাদক: প্ৰবীণ বৰা

প্ৰথম বৰ্ষ, প্ৰথম সংখ্যা

শংকৰদেৱ মহাবিদ্যালয়, পথালিপাহাৰ

## উপদেষ্টা

# ড° সোনাৰাম কলিতা

## সম্পাদক :

# প্ৰবীণ বৰা

## বেটুপাতৰ বাৰ্তা

ৰোমান্টিক কবি জন কিটছৰ বিখ্যাত কবিতা "Ode on a Grecian Urn" ৰ Urn টো বেটুপাতত উপস্থাপন কৰা হৈছে। কবিতাটোত চিত্ৰকলাৰ গুণানুকীৰ্তন কৰা হৈছে। বেটুপাত আৰু আলোচনীৰ নামৰ দ্বাৰা আমি গোস্বামী চাৰৰ বিশাল ব্যক্তিত্বক সূচাব বিচাৰিছোঁ।

**Shaaloprangshu :** The inaugural edition of e-magazine of Sankardeva Mahavidyalaya, Pathalipahar, Lakhimpur, edited by Prabin Borah and published by Sankardeva Mahavidyalaya Teachers and Employees Unit.

## সম্পাদনা সমিতি

উপদেষ্টা: ডঃ সোণাৰাম কলিতা, অধ্যক্ষ, শঙ্কৰদেৱ মহাবিদ্যালয়

সভাপতি: অজিত গোস্বামী, উপাধ্যক্ষ

সম্পাদক: প্ৰবীণ বৰা

সদস্য /সদস্যা : ব্ৰজেন শইকীয়া,
প্ৰবীণ কাকতী,
ডঃ নিতুল গগৈ,
গীতালি দাস,
স্বপ্না দাস,
ৰাজীৱ পেগু,
ভায়'লেট হাজৰিকা,
প্ৰীতিৰেখা ভূঞা

প্ৰকাশ কাল: ৩০ নৱেম্বৰ ২০২১

প্ৰকাশক: শঙ্কৰদেৱ মহাবিদ্যালয় শিক্ষক কৰ্মচাৰী গোট

বেটুপাত : গ্ৰেছীয়ান আৰ্নৰ ছবি

বেটুপাত অলংকৰণ: ৰক্তিম ৰঞ্জন তালুকদাৰ

বিশেষ কৃতজ্ঞতা: ধ্ৰুৱজ্যোতি বৰুৱা, ছাত্ৰ, ডিব্ৰুগড় পলিটেকনিক মহাবিদ্যালয়

অলংকৰণ : নৱজ্যোতি গগৈ,ধ্ৰুৱজ্যোতি বৰুৱা
লখিমপুৰ,অসম
যোগাযোগ:৯৮৫৯০৩১৩১২
ইমেল: naba9257@gmail.com



# উচৰ্গা

৩০ নৱেম্বৰ ২০২১ তাৰিখে অৱসৰ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী তথা সহযোগী অধ্যাপক অৰুণ কুমাৰ গোস্বামীৰ শ্ৰীকমলত

**শালপ্ৰাংশু**ৰ

সংখ্যাটি উচৰ্গা কৰা হ'ল।

# শুভেচ্ছা বাণী



*ড° সোনাৰাম কলিতা*
*অধ্যক্ষ*
*শংকৰদেৱ মহাবিদ্যালয়*

অহা ইং ৩০-১১-২০২১ তাৰিখে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অৰুণ কুমাৰ গোস্বামীদেৱৰ অৱসৰ গ্ৰহণৰ উপলক্ষে তেখেতৰ কৰ্মৰাজী আৰু কৰ্মৰত জীৱনৰ আলোকপাত কৰি এখনি ই-আলোচনী [শালপ্ৰাংশু] প্ৰকাশ কৰাৰ দিহা কৰা হৈছে। এই আলোচনীখনিয়ে শংকৰদেৱ মহাবিদ্যালয়ৰ বিভিন্ন উৎসৱ উপাদান ৰূপে পৰিগণিত হ'ব বুলি মই আশা প্ৰকাশ কৰো। সন্মানীয় শিক্ষাবিদ গোস্বামী চাৰৰ জীৱনৰ আলোকপাতে উঠি অহা প্ৰজন্মৰ বাবে এক পৰিচায়ক হৈ ৰ'ব। উদ্যোক্তাসকলে তথা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী সকলে তেখেতক লগ পোৱা দিনৰ পৰাই বৰ্তমানলৈকে বিভিন্ন দিশত যি লিখনি আগবঢ়াইছে ই হ'ব সাহিত্যৰ সৌষ্ঠৱ তথা মানসিক আৰু বৌদ্ধিক বিকাশৰ এক পৰিচয়। তেখেতৰ বিভিন্ন লিখনি, কৰিযোৱা কামৰ খতিয়ান আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি যি মহানতা, দায়িত্ববোধ, কৰ্তব্যৰ প্ৰতি স্পৃহা আদিৰ আভাসে আমাকো প্ৰেৰণা যোগাব বুলি আশা কৰিলো। আলোচনীখনে মহাবিদ্যালয়তেই নহয় সমগ্ৰ অঞ্চলটিৰ বাবে এক আপুৰুগীয়া সমল হৈ পৰিব। শেষত, আলোচনীখন সৰ্বাঙ্গ সুন্দৰ হৈ প্ৰকাশিত হওক এই কামনাৰে শুভেচ্ছা আৰু শুভাশীষ প্ৰদান কৰিলোঁ। ■

# সম্পাদকীয়

একবিংশ শতিকাৰ গোলকীয় গাওঁ পৃথিৱীৰ মূল চালিকা শক্তি হল ইন্টাৰনেট। ক্ষুদ্ৰ পৰিসৰৰ এখন গাঁৱৰ জনসমষ্টিৰ মাজত যেনেদৰে জনা বুজা, বুজা - পৰা অথবা সঘন যোগাযোগ থাকে, ঠিক সেইদৰে ইন্টাৰনেট সেৱাৰ মাধ্যমেৰে পৃথিৱীৰ জন সমষ্টিৰ মাজতো আজি কালি তেনে এক নিৱিড় আত্মীয়তা গঢ়ি উঠিছে॥ প্ৰযুক্তিৰ সচাকৈয়ে কি চমৎকাৰ সফলতা! মিনিটৰ ভিতৰত পৃথিৱীৰ যিকোনো এখন ঠাইৰ মানুহৰ লগত সৰল যোগাযোগ স্থাপন এক ঐতিহাসিক সফলতা হিচাপে হৈ ৰব। সচাকৈয়ে মানুহৰ চিন্তাৰ উত্থানে মানুহক কৃতকাৰ্য্যতাৰ শীৰ্ষ বিন্দুলৈকে আগুৱাই নিবলৈ সক্ষম হৈছে। মানুহৰ এই জয় যাত্ৰাৰ আৰত গ্ৰন্থৰ ভূমিকা আৰু সুসংহত গৱেষণাৰ কথা স্বীকাৰ কৰিবই লাগিব। বিজ্ঞান প্ৰযুক্তিৰ নিৰন্তৰ চিন্তা - চৰ্চা আৰু গৱেষণাই মানুহক জ্ঞানজ্যোতিৰ সন্ধান দিছে আৰু একেধৰণে সুখৰ সন্ধান দিবলৈ সমৰ্থ হৈছে। আমি জানো গ্ৰন্থ হল থুপাই থোৱা জ্ঞানৰ ভঁৰাল। এই জ্ঞান ভাণ্ডাৰৰ আলমতে পৃথিৱীখন দোপত দোপে আগুৱাই যাবলৈ সক্ষম হৈছে।ক্ষুদ্ৰতম দেশ জাপান কেনেদৰে গ্ৰন্থৰ আলমত দোপত দোপে আগুৱাই গৈছিল সেই কথা আমি জানো।জাৰ্মানীৰ জহান্স গুটেনবাৰ্গে পোন্ধৰশ শতিকাত ছপাশাল আৱিষ্কাৰ কৰাৰ পৰাই পৃথিৱীখন অধিক আঢ্যৱন্ত হৈছিল।কিয়নো আগতে হাতেৰে লিখি কিতাপ সংৰক্ষণ কৰিব লগা হৈছিল বা এজন লেখকে এখন কিতাপৰ অধিক কপি কৰিব নোৱাৰিছিল।ছপা যন্ত্ৰই সেই সমস্যা সমাধান কৰিলে আৰু মানৱ সভ্যতাৰ বিস্তৰ উন্নতি সাধন কৰিলে।কিন্তু মানুহৰ চিন্তা চৰ্চাত যতি পৰে জানো ? প্ৰচুৰ সম্পদশালী মানুহৰ বুদ্ধিদীপ্ততাই চিন্তাৰ পৰিধি ভেদি অনাদি অনন্তত প্ৰৱেশ কৰিছে। যি ইন্টাৰনেটৰ সহায়ত পৃথিৱী এখন সৰু গাঁৱলৈ ৰূপান্তৰ হল, সেই একে মাধ্যমৰ সহায়ত মানুহ গতানুগতিকতাৰ বেহু ভাঙি অগতানুগতিকতাৰ অন্তৰ্ভুক্ত হল।

ইন্টাৰনেটৰ মাধ্যমেৰে মানুহে অধিক ক্ষিপ্ৰতাৰে কৰ্ম সম্পাদন কৰিব পৰা হল।এখন চিঠি যদি পূৰ্বে ডাক ব্যৱস্থাৰে লাভ কৰিবলৈ এক সপ্তাহ সময় লাগিছিল, সেই একেখন চিঠি পাবলৈ এতিয়া মাথোঁ কেই ছেকেণ্ড মানহে প্ৰয়োজন হয়। বেংকলৈ নোযোৱাকৈ ঘৰতে বহি ইন্টাৰনেটৰ সহায়ত ছেকেণ্ডত টকা পঠাব পৰা অথবা পাব পৰা হল।অসমৰ কোনোবা এখন গাঁৱত থাকি আমেৰিকাত হৈ থকা লাইভ প্ৰগেম এটা ইন্টাৰনেটৰ মাধ্যমেৰে উপভোগ কৰিব পৰা হল।ইন্টাৰনেটৰ কৃপাত আজি কালি কাগজ কলমৰ প্ৰয়োজন বহু পৰিমাণে নোহোৱা হল।কাগজ কলম নোহোৱাকৈ চিঠিৰ আদান প্ৰদান সম্ভৱ হৈ উঠিল।কেৱল চিঠিয়েই নহয়।গল্প, কবিতা, প্ৰবন্ধ আদিও কাগজ কলম নোহোৱাকৈ এঠাইৰ পৰা আনঠাইলৈ পঠাব পৰা হল। মুঠৰ ওপৰত কাগজ কলম অবিহনেও সৃষ্টিশীল কৰ্ম অবিৰত গতিত চলিব পৰা হল। কাগজ বিহীন এনেবোৰ কৰ্মক আমি e-mail, e-newspaper, e-journal, e-magazine আদি নামেৰে অভিহিত কৰোঁ। e-Magazine বা electronic magazine বা online magazine ৰ সুবিধা হল

এই আলোচনী বা বাতৰি কাকত লৈ ফুৰিবলৈ সহজ আৰু ইচ্ছুক যিকোনো ব্যক্তিক খৰচ বিহীন ভাৱে ইয়াৰ একোটা কপি প্ৰেৰণ কৰিব পাৰি। পৰিৱৰ্তিত পৰিস্থিতিৰ লগত নিজকে খাপখুৱাই লব পৰাটো হল যিকোনো সভ্য সমাজৰ এটা প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য। আমি শঙ্কৰদেৱ মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকলেও এনে পৰিবৰ্ত্তনক স্বাগতম জনাব বিচাৰিছোঁ আৰু নিজেও এই পৰিবৰ্তনৰ এটা অংশ হব বিচাৰিছোঁ।

শঙ্কৰদেৱ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত অসমীয়া বিভাগৰ মূৰব্বী তথা সহযোগী অধ্যাপক শ্ৰদ্ধাৰ অৰুণ কুমাৰ গোস্বামী চাৰ অহা ৩০ নৱেম্বৰ ২০২১ তাৰিখে অৱসৰ গ্ৰহণ কৰিব। অৱসৰৰ এই ক্ষণটো ধৰি ৰখাৰ মানসেৰে আমি মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোটে এখন e-magazine ৰ পৰিকল্পনা কৰিছোঁহঁক। এই আলোচনীত মহাবিদ্যালয়ৰ সকলো শিক্ষক কৰ্মচাৰীয়ে তেখেত সকলৰ উমাল অনুভূতি সমূহ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে।এইয়া আমাৰ প্ৰথম প্ৰচেষ্টা। স্বাভাৱিকতে অভিজ্ঞতাৰ অভাৱত আমাৰ এই কৰ্মভাগি পূৰঠ নহব পাৰে। কিন্তু আমি আশাবাদী এই সংখ্যাত ৰৈ যোৱা ভুল ত্ৰুটী সমূহ আমি পিছৰ সংখ্যাবোৰত নিশ্চয় নোহোৱা কৰিব পাৰিম। শেষত অভিযানটোত নি:স্বৰ্ত সহায়ৰ হাত আগবঢ়োৱা সকলোলৈকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।লগতে আলোচনীখনৰ ভাৱনাক বাস্তবায়িত কৰি আমাক কৃতাৰ্থ কৰাৰ বাবে অতি মৰমৰ ভাতৃ তথা ডিব্ৰুগড় পলিটেকনিক মহাবিদ্যালয়ৰ ছাত্ৰ তথা ভাওনা সংস্কৃতি এপৰ জনক ধ্ৰুৱজ্যোতি বৰুৱাৰ আন্তৰিক শলাগ লৈছো,ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।



*প্ৰবীণ বৰা*
*সম্পাদক, শালপ্ৰাংশু*



# অৰুণ কুমাৰ গোস্বামীদেৱৰ চমু জীৱন বৃত্তান্ত

পিতৃ প্ৰয়াত কেশৱ চন্দ্ৰ গোস্বামী আৰু মাতৃ প্ৰয়াত যোগদা গোস্বামীৰ সুযোগ্য সন্তান অৰুণ কুমাৰ গোস্বামীৰ জন্ম হৈছিল ১৯৬১ খ্ৰীষ্টাব্দৰ ২৬ নৱেম্বৰ তাৰিখে লক্ষীমপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ বৰনাহৰনি গাওঁস্থিত শ্ৰী শ্ৰী শিয়াল মৰা সত্ৰত।সৰুৰে পৰা অত্যন্ত মেধাৱী ছাত্ৰ হিচাপে পৰিচিত অৰুণ কুমাৰ গোস্বামীয়ে মাধৱদেৱ মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত সন্মান সহ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি সগৌৰবে স্নাতক ডিগ্ৰী লাভ কৰে।দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় হোৱাৰ সুবাদতে তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আহৰণ কৰিবলৈ মন মেলে আৰু ১৯৮৭ খ্ৰীষ্টাব্দত সুখ্যাতিৰে উত্তীৰ্ণ হয়।উল্লেখযোগ্য যে ১৯৮১ খ্ৰীষ্টাব্দৰ পৰা ১৯৮৭ খ্ৰীষ্টাব্দলৈ তেওঁ ভোলাবৰি মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষকৰ দায়িত্ব পালন কৰিছিল। ১৯৮৮ খ্ৰীষ্টাব্দত তেওঁ শঙ্কৰদেৱ মহাবিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলিছিল। ২০০১ খ্ৰীষ্টাব্দত তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা এম ফিল ডিগ্ৰী লাভ কৰে। ২০০০ খ্ৰীষ্টাব্দৰ ২ অক্টোবৰ তাৰিখে গোস্বামী ডাঙৰীয়া নগাঁৱৰ জাজৰিস্থিত খ'ৰামোচৰ সত্ৰৰ গীতাঞ্জলী গোস্বামীৰ লগত বিবাহ পাশত আৱদ্ধ হয় আৰু হৃষিকেশ গোস্বামী/ তন্ময়ী গোস্বামী নামৰ দুটি সন্তানৰ পিতৃত্বৰ গৌৰৱ অৰ্জন কৰে।শিক্ষকতা বৃত্তিৰ সমান্তৰালকৈ তেওঁ ২০১০ খ্ৰীষ্টাব্দৰ পৰা শ্ৰী শ্ৰী শিয়ালমৰা সত্ৰৰ সত্ৰাধিকাৰৰ গুৰু দায়িত্ব পালন কৰি আহিছে। শিক্ষকতাৰ কালছোৱাত তেওঁ এটি লঘু গৱেষণা প্ৰকল্পৰ (MRP) কাম সফলতাৰে সমাপন কৰে।তেওঁ বিভিন্ন সামাজিক - সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ সামাজিক দায়বদ্ধতা পালন কৰি আহিছে।তদুপৰি তেওঁৰ তত্বগধুৰ সাহিত্য সংস্কৃতি বিষয়ক প্ৰবন্ধ ৰাজিয়ে বিজ্ঞজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।গোস্বামীদেৱৰ উল্লেখযোগ্য গ্ৰন্থ সমূহ হ'ল - - - ১/ বৈষ্ণৱ সাহিত্য সংস্কৃতিৰ আভাস ২/ সত্ৰ সুবাস ৩/ দিল্লী ডিশিকা ৪/ জাকু নাহি সম ৫/ ৰঙ্গায়ন ইত্যাদি।উল্লেখ্য যে তেওঁৰ আৰু দুখন গ্ৰন্থ বৰ্তমান যন্ত্ৰস্থ অৱস্থাত আছে।তেওঁ অসম কলেজ শিক্ষক সংস্থাৰ অন্তৰ্গত লক্ষীমপুৰ মাণ্ডলিক সমিতিৰ গ্ৰন্থ ৰিভ' নেন্চৰ সভাপতি আছিল। শ্ৰী শ্ৰী শিয়ালমৰা সত্ৰৰ সাংস্কৃতিক কোষ শিয়াল মৰা কলা সদনৰ তৎপৰতাত বৃহত্তৰ অঞ্চলটিত এক পলসুৱা সাংস্কৃতিক পৰিবেশ ৰচনা হৈছে।এইজনা মহান শিক্ষাবিদ, সাহিত্যিক, সাংস্কৃতিক কৰ্মী ২০২১ বৰ্ষৰ ৩০ নৱেম্বৰ তাৰিখে আনুষ্ঠানিক কৰ্ম জীৱনৰ পৰা অৱসৰ গ্ৰহন কৰে।■■■

*সম্পাদনা সমিতি শালপ্ৰাংশু*

# সূ চী প ত্ৰ

## প্ৰবন্ধ

পৃষ্ঠা


▪ অৰুণ কুমাৰ গোস্বামীদেৱ আৰু তেখেতৰ ব্যক্তিত্বত এভুমুকি : ডঃ সোণাৰাম কলিতা, অধ্যক্ষ ০১

▪ অৰুণৰ আভা : অজিত গোস্বামী, উপাধ্যক্ষ ০২

▪ অৰুণ কুমাৰ গোস্বামীদেৱৰ অৱসৰ মুহূৰ্তত অনুভৱ : টংকেশ্বৰ দত্ত, গ্ৰন্থগাৰীক ০৪

▪ মোৰ মানস পটত গোস্বামী চাৰ মানুহজন : ব্ৰজেন শইকীয়া, সহকাৰী অধ্যাপক, সমাজ তত্ব বিভাগ ০৫

▪ গুৰুদেৱৰ কৰকমলত( শ্ৰীযুত অৰুণ গোস্বামী দেৱৰ অৱসৰ মুহূৰ্তত) : উৎপল শইকীয়া, সহযোগী অধ্যাপক, সমাজ তত্ব বিভাগ ০৬

▪ My feelings towards Arun Goswami Sir : Prabin Kakati, Assistant professor, Department of History ০৭

▪ শংকৰদেৱ মহাবিদ্যালয়ৰ মহীৰূহৰ অৱসৰৰ মুহূৰ্তত একলম : ডঃ নিতুল গগৈ, সহকাৰী অধ্যাপক, শিক্ষা বিভাগ। ০৮

▪ বৰেণ্য ব্যক্তিত্বৰ অধিকাৰী অৰুণ গোস্বামী চাৰ : গীতালি দাস, হিন্দী বিভাগ ০৯

▪ গোস্বামী চাৰৰ চেনেহী সান্নিধ্যত সাত বছৰ : স্বপ্না দাস, সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ ১০

▪ গোস্বামী চাৰৰ পৰ্বত সম ব্যক্তিত্বৰ ছা' ত আমিবোৰ : ভায়'লেট হাজৰিকা, সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ ১১

▪ অৰুণ গোস্বামী চাৰৰ কথাৰে : পৰশমনি হাজৰিকা, বুৰঞ্জী বিভাগ ১২

▪ শ্ৰদ্ধাৰ অৰুণ কুমাৰ গোস্বামী চাৰৰ সান্নিধ্যৰ দিনকেইটা : প্ৰীতিৰেখা ভূঞা, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ ১৩

▪ গৱেষক পণ্ডিত গোস্বামী চাৰ : ডঃ মাধুৰ্য ফুকন, অসমীয়া বিভাগ ১৪

▪ সত্ৰীয়া সংস্কৃতিৰ আধাৰ : নৱজ্যোতি ভূঞা, গ্ৰন্থগাৰ সহায়ক ১৫

▪ গোস্বামী চাৰৰ সান্নিধ্যত : মানিক শইকীয়া, কাৰ্যালয় সহায়ক, অধ্যয়ন কেন্দ্ৰ, কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় ১৬

▪ অৰুণ গোস্বামী : উত্তমোত্তম ব্যক্তিসত্বা :প্ৰবীণ বৰা, ইংৰাজী বিভাগ ১৭

■ প্ৰবন্ধ

# অৰুণ কুমাৰ গোস্বামীদেৱ আৰু তেখেতৰ ব্যক্তিত্বৰ এভুমুখী

*ড° সোণাৰাম কলিতা*
*অধ্যক্ষ*
*শংকৰদেৱ মহাবিদ্যালয়*

২০২০ চনৰ ২৬ আগষ্ট দিনটো আছিল মোৰ বাবে অবিস্মৰণীয়, যিহেতু সেই দিনাই অসমীয়া বিভাগৰ সন্মানীয় সহযোগী অধ্যাপক অৰুণ কুমাৰ গোস্বামীদেৱক নিয়মীয়া লগপোৱাৰ সৌভাগ্য হৈছিল আৰু পৰবৰ্তী সময়ছোৱা বহু আত্মিয়তাৰে পাৰ কৰিছিলো। এই মহবিদ্যালয়ত যোগদান কৰাৰ আগতে তেখেতক বহু সময়ত বহু কাৰ্য্যত লগ পাইছিলো যদিও মনৰ মধুৰ মিলন হোৱা নাছিল। পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ সময়তে তেখেতক  পুলিচৰ পোচাকতে মহবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীক বাহিৰত ৰৈ থকা অৱস্থা খেদি আনি মহাবিদ্যালয়ৰ ভিতৰৰ পোৱাৰ মুহূৰ্তত লগ পাইছিলো নতুন ৰূপত। সকলো অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী ভয়ত বিতত হৈ কি পৰিস্থিতি উদ্ভৱ হৈছে আৰু সকলোৱে পুলিচজনৰ পৰা নিৰ্দিষ্ট দুৰত্ব মানি থিয় হ'ল আৰু এনেতে আৰম্ভ হ'ল শংকৰদেৱ মহাবিদ্যালয়ৰ এখন বাটৰ নাট। সেই পুলিচ জনেই আছিল শ্ৰীযুত অৰুণ কুমাৰ গোস্বামী। তেখেত এজন সহযোগী অধ্যাপকেই নহয় সত্ৰৰ সত্ৰাধিকাৰ আৰু সময়ৰ সংগতি ৰাখিসকলো কামেই কৰি যায়। অহা ৩০ নৱেম্বৰত অৱসৰৰ চিৰন্তন প্ৰথাৰে তেখেতে অৱসৰ ল'ব, আৰু এই অৱসৰে আমাৰ মনলৈ দুখৰ ভেটা ভাগিব যিহেতু অধ্যক্ষ হিচাপে কিজানি বিকলহৈ যাম  যেনেভাৱ হয় সন্দেহ হয় মোৰ কামত তথা মহাবিদ্যালয় সৰ্বদিশত বাধা আহিব। সেইজন গোস্বামীচাৰৰ চৰণ চুই অধ্যক্ষ আসন গ্ৰহণৰ পিছত কামৰকোনো যদি পৰা নাই। সত্য, নিষ্ঠা, পৰোপকাৰী, সৎচিন্তা -ভাৱনা আৰু অলেখ গুণৰ অধিকাৰী ব্যক্তিজনক চিঠিৰ ড্ৰাফ, প্ৰতিবেদন, কাৰ্যসূচী আদি প্ৰস্তুতৰ বাবে নোপোৱাৰ বেদনাই আমাক অন্তৰ চুইছে। কোনো এদিন বিৰ্তকত নপৰা, কৰ্টু কথা নশুনোৱা, কথা এৰাই নচলা স্বভাৱে এতিয়া যেন আমাক উকা কৰিব। অকল অসমীয়া বিভাগেই নহয়, অনুষ্ঠানটিৰ বাবে উজ্জ্বল নক্ষত্ৰ আছিল তেখেত। সাহিত্যৰ সুবাস ঢালি সকলোৰে মন প্ৰাণ জয় কৰা গোস্বামী চাৰৰ পৰা পৰৱৰ্তী সময়ত আৰু বহুত পাম বুলি আশা কৰো। নাট্য আৰু সাহিত্য চৰ্চাত যাতে শিয়ালমৰা সত্ৰৰ অংশীদাৰ হ'বলৈ মহাবিদ্যালয়ক উদ্‌গনি দিয়ে এই আহ্বান অৰুণ দাৰ লগত থাকিল। শেষত সমূহ পৰিয়াল বৰ্গলৈ শুভেচ্ছা থাকিল। অৱসৰৰ সময়ছোৱা ব্যস্ততাৰ মাজেৰে পাৰ কৰাৰ লগতে মহাবিদ্যালয়ৰ লগত ওতঃপ্ৰোত সম্পৰ্ক ৰখাৰ অনুৰোধ থাকিল। ■■■

■ প্ৰবন্ধ

# অৰুণৰ আভা

✍অজিত গোস্বামী
সহযোগী অধ্যাপক
অৰ্থনীতি বিভাগ

আমাৰ জীৱনবোৰৰ একোট মহৎ উদ্দেশ্য থাকে।পৰিমাৰ্জিত জীৱনবোধ সুগভীৰ চিন্তন আৰু জীৱন পৰিক্ৰমাৰ বেষ্টনীৰ মাজত মহাজীৱনৰ অন্বেষন... অৰুণ গোস্বামী এনে দৰ্শনেৰে সমৃদ্ধ এক প্ৰগতিশীল চিন্তাৰ লোক।মোৰ অতি ঘনিষ্ঠ ভাতৃসম বন্ধু অৰুণে অহা ৩০ নৱেম্বৰ ২০২১ ত কৰ্ম জীৱনৰ পৰা অৱসৰ গ্ৰহন কৰিব।

আজিৰ তাৰিখত পৃথিৱীত আটাইতকৈ সমাদৃত আৰু জনপ্ৰিয় চুইডেনৰ আদৰ্শনীয় জীৱন দৰ্শনৰ এই উক্তিটো মনলৈ আহিছে Not too much, Not too little, just right, অৰ্থাৎ বেছি নহয় কমো নহয় কেৱল প্ৰয়োজনীয় খিনি,অৰুণ গোস্বামীৰ এই পয়ত্ৰিশ বছৰীয়া কৰ্ম জীৱনত এই অবিকল জীৱন প্ৰণালী মই প্ৰত্যক্ষ কৰিছিলো।সুৰুচিপূৰ্ণ মূল্যবোধত আস্থাশীল অৰুণে জীৱনগতি সুন্দৰভাবে নিয়ন্ত্ৰন কৰি স্বচ্ছ জীৱনবোধত নতুন মাত্ৰা প্ৰদান কৰাত বাৰুকৈয়ে সফল হৈছে।

শিক্ষক হিচাবে অৰুণে অগনন ছাত্ৰ ছাত্ৰীক ""সীমাৰ মাজত অসীমৰ" সন্ধানৰ মন্ত্ৰ দিলে।মানৱীয় মূল্যবোধৰ শিক্ষাৰ কথা নকলোৱেইবা।

ছাত্ৰ ছাত্ৰীৰ সুপ্ত স্বপ্নবোৰে প্ৰাণ পালে অৰুণৰ চকুহাল প্ৰাপ্তিত উজলি উঠে। ক্ষনিক সময়ৰ বাবে অৰুণ শিশু হৈ যায় শূন্যতাই কেতিয়াও বিব্ৰত নকৰা অৰুণ গোস্বামী, সদাব্যস্ত মানুহজনক আকৌ এবাৰ ভুমুকিয়াই চাইছো,, -- কত যে কাম অৰুণৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ,সাংস্কৃতিক তত্ত্বাৱধায়ক, যুব মহোৎসৱৰ তত্ত্বাবধায়ক আলোচনী সম্পাদনা ৰাজহুৱা সভা ,সত্ৰৰ কাম, শিক্ষক কৰ্মচাৰী গোটৰ সম্পাদক/ সভাপতি শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ তত্ত্বাবধায়ক, গ্ৰন্থ সম্পাদনা নিবন্ধ লেখন কবিতা চক্ৰৰ সমালোচক ,আলোচনা সত্ৰৰ সঞ্চালক নাটক গীত বাদ্য ,,,কৈ শেষ কৰিব নোৱাৰা জীৱন গাথাঁ।মই ,আমি আৰু মহাবিদ্যালয় পৰিয়ালে অৰুণৰ ওপৰত অগাধ বিশ্বাসৰ দেউল বান্ধিব পাৰিছিলো।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এটা বছৰৰ জেষ্ঠতাৰ ভিত্তিত মই আজিও অৰুণৰ অজিতদা আৰু মোৰ বাবে তেও বন্ধুসম মৰমৰ ভাতৃ।কৰ্মক্ষেত্ৰত অৰুণক লগপোৱা আজি পয়ত্ৰিশ বছৰ অতিক্ৰম কৰাৰ পাছত আজিৰ এই বিদায়ৰ কঠিন বাস্তৱ ৰ মুখামুখি হৈছো।এক নিটোল জীৱন পৰিক্ৰমাৰে অৱসৰৰ দিশে আগবঢ়া অৰুণৰ সৃজনশীল প্ৰতিভা সমাজ জীৱনত অনুজসকলৰ বাবে পাথেয় হোৱা উচিৎ। সৰ্বক্ষন ধনাত্মক চিন্তাৰে পৰিপুষ্ট অৰুণ গোস্বামীক আমাৰ মহাবিদ্যালয়ত আৰু কিছুদিন প্ৰয়োজন আছিল।

কিছু কথা নকলে লেখাটো আধৰুৱা হব॥ অৰুণ গোস্বামীৰ প্ৰৱন্ধ বা সম্পাদকীয় প্ৰতিবেদনত থাকে আকৰ্ষনীয় অৰ্থবহ শিৰোনাম, বিভ্ৰান্তি সৃষ্টিৰ সুযোগ নৰখাকৈ বক্তব্য সুস্পষ্ট আৰু নিৰ্দিষ্ট, নিৰপেক্ষতা আৰু সৰ্বজনগ্ৰহনযোগ্যতা য'ত গঠনগত ভুলৰ মাত্ৰা কম অভিনয়----ব্যতিক্ৰমি বিষয়বস্তুৰ প্ৰতি সততে দূৰ্বলতা থকা অৰুণৰ অভিনয় সাৱলীল আৰু এক অৰ্থত অৰুন এজন দক্ষ অভিনেতা । সৃজনশীলতা-----প্ৰতিবেদন ,প্ৰৱন্ধ, সংকলন সম্পাদনা ,বাতৰি লেখন, সমালোচনা ,প্ৰশস্তি পত্ৰ লেখন আদিত আমি অভিনৱ সৃজনশীলতা প্ৰত্যক্ষ কৰিছিলো আৰু তাত মৌলিক অন্তৰমুখী চিন্তাৰ বহিঃ প্ৰকাশ ঘটিছিল।

আদৰ্শ ----- আদৰ্শগত সাৱলীলতা (Idea fluency) অৰুনৰ ব্যক্তিসত্বাৰ অভিন্ন ৰূপ

পৰিশেষত কও অৰুণ মূলতঃ I have no doubt on my mind to say that, he is an achiever, open minded generous, knowledgeable, modest courageous, responsible and highly respected teacher. ■■■



# অৰুণ কুমাৰ গোস্বামীদেৱৰ অৱসৰৰ মূহূৰ্তত অনুভৱ



✍টংকেশ্বৰ দত্ত
গ্ৰন্থাগাৰিক
শংকৰদেৱ মহাবিদ্যালয়

এগৰাকী আদৰ্শ শিক্ষক বুলি ক'লে যি ধৰণৰ ব্যক্তিৰ ছবি আমাৰ মনত ভাহি আহে সেইসকলৰ ভিতৰত অৰুণ কুমাৰ গোস্বামীদেৱো এজন। এগৰাকী ব্যক্তিৰ ব্যক্তিত্ব, চিন্তাৰ পৰিধি, সৃষ্টি, সমাজ জীৱনত থকা প্ৰভাৱ আৰু সামুহিক গ্ৰহণযোগ্যতাই ব্যক্তি এগৰাকীক একোটা অনুষ্ঠানলৈ ৰূপান্তৰ কৰে। অৰুণ গোস্বামীদেৱো ইয়াৰ ব্যক্তিক্ৰম নহয়। বহুমাত্ৰিক প্ৰতিভাৰ অধিকাৰী গোস্বামীদেৱ একেধাৰে দক্ষ শিক্ষাগুৰু, সু-সাহিত্যিক, অভিনেতা, বাদ্যকাৰ, গায়ক, সুদক্ষ সমাজ সংগঠক,সত্ৰাধিকাৰ লগতে ডুজনা গুৰৰ ধৰ্মদৰ্শণ, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিপুল পৰিমানে ঐশ্বৰ্য্য দান কৰা ব্যক্তি। অৰুণ গোস্বামীদেৱ কেৱল এগৰাকী শিক্ষাগুৰুৱেই নাছিল তেখেত সমাজ জীৱনৰ পথ প্ৰদৰ্শকো।যিকোনো সামাজিক বা ধৰ্মীয় সমস্যাৰ উদ্ভৱ হ'লেই গোস্বামীদেৱে সঠিক পথৰ সন্ধান দিয়ে।জীৱনৰ প্ৰকৃত মৰ্মাৰ্থ উপলব্ধি কৰিব পৰাকৈ যিজনে মন মগজুক প্ৰভাৱিত কৰি সঠিক পথৰ সন্ধান দিব পাৰে সেই জনেই গুৰু।তেওঁৰ বক্তিত্বৰ জ্যোতি প্ৰজ্ঞাৰ সমানে উজ্জ্বল।সাধাৰণ জীৱনচৰ্যা অথচ অসাধাৰণ কৰ্মযজ্ঞ। তেখেতৰ জ্ঞান স্পৃহা,অধ্যয়ন পিপাসু মনটোৱে আমাক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। মহাবিদ্যালয়ত পাঠদান নকৰা সময়ত সদাই পুথিভঁৰালত আহি তেওঁৰ জ্ঞান তৃষ্ণা ডুৰ কৰিছিল। গোস্বামীদেৱে বহুকেইখন গ্ৰন্থ ৰচনা কৰাৰ লগতে কেইবাখনো স্মৃতিগ্ৰন্থ, স্মাৰক গ্ৰন্থৰ সম্পাদনা কৰাৰ উপৰিও ভালে কেইটা প্ৰবন্ধ তেখেতৰ প্ৰকাশ হৈছে। এইবোৰৰ উপৰিও বিভিন্ন সভা-সমিতিত আগবঢ়োৱা বক্তৃতাই তেখেতৰ গভীৰ জ্ঞান সাধনাৰ উমান দিয়াৰ লগতে মহাবিদ্যালয়খনৰ গৌৰৱ উজ্জ্বলাইছিল।এনে এগৰাকী আদৰ্শ শিক্ষাগুৰু মহাবিদ্যালয়ৰ খনৰ পৰা চৰকাৰী নীতি মতে বিদায় দি মহাবিদ্যালয় তথা অঞ্চলটোৰ ৰাইজে হেৰুৱালে এগৰাকী নিষ্ঠাবান শিক্ষক, সঠিক পথ প্ৰদৰ্শক।মহাবিদ্যালয়খনৰ লগতে গোস্বামীদেৱে যি অৱদান আগবঢ়ালে সেয়া উত্তৰ পুৰুষৰ বাবে সদাই প্ৰেৰণাৰ উৎস হৈ থাকিব।বৰ্তমানৰ দৰে ভৱিষ্যতেও আপুনি অন্ধকাৰ বিনাশী 'অৰুণ' হৈ উজ্জ্বলি থাকক।■■■

■প্ৰবন্ধ

# মোৰ মানস পতত গোস্বামী ছাৰ মানুহ জন

✍ব্ৰজেন শইকীয়া
প্ৰবক্তা, সমাজতত্ব বিভাগ

শঙ্কৰদেৱ মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰা দিনৰ পৰাই অৰুণ গোস্বামী (যাক আমি গোস্বামী ছাৰ বুলি মাতো) দেৱৰ সান্নিধ্যলৈ আহোঁ।তেখেতক লগ পোৱা দিন ধৰি সদায় আমাক তই বুলি সম্বোধন ধৰিছিল- হয়তো মৰমত নাইবা ভাতৃত্বসুলভ তাগিদাত।কথাটো ভাবিলে মনত বৰ আনন্দ লাগে।আৰম্ভণিৰ পৰাই দেখিছিলোঁ মহাবিদ্যালয় খনৰ কিছুমান বিশেষ কাম সদায় গোস্বামী ছাৰে কৰিছিল।বিদায় সভাৰ সম্বৰ্ধনা পত্ৰৰ প্ৰতিলিপি, গভৰ্নিং বডীৰ বিভিন্ন প্ৰস্তাৱৰ প্ৰতিলিপি, মহাবিদ্যালয় অনুদানৰ বাবে উৰ্ধতন কৰ্তৃপক্ষলৈ বিভিন্ন সময়ত লিখা মেলা কৰা ইত্যাদি।ইয়াৰ উপৰিও আমাৰ ব্যক্তিগত ভাবে কেতিয়াবা লিখিব লগা যিকোনো লিখনি তেখেতক এবাৰ দেখুৱাইলৈহে চূড়ান্তৰূপ দিয়া হৈছিল।

গোস্বামী ছাৰে শংকৰদেৱ ৰ অংকীয়া ভাওনাৰ ওপৰত অধ্যয়ন কৰিছিল আৰু এই দিশত তেখেতৰ অত্যধিক ৰাপ আছিল।ইয়াৰ উপৰিও বৰগীত, ঝুমুৰা, চালি নৃত্য, খোল বাদন ইত্যাদি তেখেতৰ বৰ প্ৰিয় আছিল।সেয়েহে মহাবিদ্যালয়ত আজৰি সময়ত তেখেতে মোবাইলত ধৰি ৰখা ভাওনাৰ বিভিন্ন সংলাপ, বৰগীতত কৰা নৃত্য, চালি নাচ, ঝুমুৰা নাচ ইত্যাদি বোৰ আমাক প্ৰদৰ্শন কৰাই বহুতো আনন্দ লাভ কৰিছিল।কেতিয়াবা কেতিয়াবা আকৌ কেণ্টিনত চাহ খাবলৈ যাওঁতে তেখেতে ভাওনাৰ সংলাপ, বৰগীতৰ কলি আমাৰ আগত গাই আমোদৰ খোৰাক যোগাইছিল।খোল বাদনৰ বিভিন্ন চেও মুখেৰে গাই গাই আমাক শুনাইছিল।ইয়াৰ উপৰিও ভাগৱত,গীতা,কীৰ্তন ইত্যাদি ৰ একো একোটা কলি বিভিন্ন সুৰত গাই ধেমালি কৰিছিল। চাকৰি জীৱনৰ প্ৰায় সকলো সময়তে তেখেত অসমীয়া কলা সংস্কৃতিৰ লগত জড়িত হৈ আছিল। অসমীয়া কলা সংস্কৃতিৰ ওপৰত তেখেতৰ কেইবাটাও লেখা ইতিমধ্যে প্ৰকাশ পাইছে।অন্যহাতে নিজ সত্ৰত নিজা উদ্যোগত প্ৰায় প্ৰতি বছৰে শ্ৰী শ্ৰী কৃষ্ণৰ ৰাস লীলাৰ মহাৰাস ভাগি উদযাপন কৰিছিল। মুঠতে অসমীয়া বিভাগৰ এজন প্ৰৱক্তা হিচাপে তেখেত অসমীয়া সংস্কৃতিৰ এজন নীৰৱ সাধক আছিল। মহাবিদ্যালয়ৰ আলোচনীৰ কেইবাটাও সংখ্যা তেখেতৰ তত্বাৱধানত প্ৰকাশ পাইছিল। ইয়াৰ উপৰিও বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ পৰা প্ৰকাশ পোৱা স্মৃতি গ্ৰন্থও তেখেতে সম্পাদনা কৰিছিল।

এই জন গোস্বামী চাৰ অহা 30 নৱেম্বৰ 2021 তাৰিখে অৱসৰ গ্ৰহণ কৰিব।অৱসৰ বা বিদায় শব্দ বোৰ বৰ বেদনাদায়ক।তথাপিটো এই চিৰন্তন সত্য ৰক্ষা কৰি আমি তেখেতক অহা 30 নৱেম্বৰত আনুষ্ঠানিক ভাৱে বিদায় সম্ভাষণ জনাম।আশা কৰোঁ পৰৱৰ্তী দিন বোৰত তেখেতৰ কলম যেন থমকি নৰয় আৰু নতুন নতুন সৃষ্টিৰে অসমীয়া কলা সংস্কৃতিৰ ভঁৰাল চহকী কৰে।সদৌ শেষত তেখেতৰ সু স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি এই ক্ষুদ্ৰ লেখাৰ সামৰণি মাৰিলো।■■■

■ প্ৰবন্ধ

# গুৰুদেৱৰ কৰকমলত

## (শ্ৰীযুত অৰুণ গোস্বামী দেৱৰ অৱসৰৰ মুহূৰ্তত)

উৎপল শইকীয়া
অধ্যাপক, সমাজতত্ব বিভাগ
শংকৰদেৱ মহাবিদ্যালয়

গুৰুদেৱ বুলিয়েই আৰম্ভ কৰিলো।মূল গুৰু হেনো তিনি প্ৰকাৰৰ।আদিগুৰু, শিক্ষাগুৰু আৰু দীক্ষাগুৰু। অৰুণ গোস্বামী ছাৰ মোৰ শিক্ষাগুৰু (অনানুষ্ঠানিক) আৰু দীক্ষাগুৰু। মহাবিদ্যালয়ত চাকৰিত যোগদান কৰাৰে পৰা ছাৰক অভিভাবক ৰূপে পাই আহিছো। সৎ পৰামৰ্শ, তদাৰকী শাসন আৰু অকৃত্ৰিম স্নেহৰ বাবে মই গোস্বামী ছাৰৰ ওচৰত কৃতজ্ঞ।ছাৰৰ ব্যক্তিত্ব আৰু আকৰ্ষণীয় গুণৰাজীৰ বাবে আকৃষ্ট হৈ আমাৰ পুৰুষানুক্ৰমিক শ্ৰী শ্ৰী গড়মূৰ সত্ৰৰ সলনি শ্ৰী শ্ৰী শিয়ালমৰা সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰিলো।ছাৰৰ পৰামৰ্শ, নিৰ্দেশ আদি বিনাদ্বিদ্ধাই পালনৰ চেষ্টা কৰিছিলো।আজিৰ পৰা মহাবিদ্যালয়ত এজন অভিভাৱক নোহোৱা হ'ব।আশা কৰিম কৰ্মময়ী জীৱনত তেখেতৰ সান্নিধ্য লাভ কৰি থাকিম। জানিব পৰা মতে আজি সত্ৰ পৰিচালনা সমিতিয়ে শ্ৰদ্ধেয় গোস্বামীদেৱক সত্ৰৰ সম্পূৰ্ণ দায়িত্বৰে আদৰণি জনাব। সেয়ে সত্ৰাধিকাৰ প্ৰভূৰ শ্ৰী চৰণত সেৱা জনাই তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি বৈকুণ্ঠনাথ প্ৰভূৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা জনাইছো।■■■



# My Feelings Towards Arun Kumar Goswami Sir

✍Prabin Kakati
Assistant professor
Department of History.

" A good teacher is like a candle, it comes itself to light the way for other.."

At first I convey my heartfelt gratitude to my respected sir. In my study period at college, I met him from very close. It is fortunate that I am still closer to his majestic personality at college premises. From my point of view he is a saturated teacher, a man of wisdom, a man of ideal character, a man with great creative talent, an inborn lover of culture. His great personality is understood by his pattern of thought, feelings and behavioral approaches. Goswami sir is thoroughly a social being. He is a man of great social responsibility. He is a man culture. He gets love and respect from all sections of people irrespective of their tribe, caste and religion. He was a great teacher indeed. He enjoyed tremendous love and respect from all sections of Student as well. Of course, he was well known as Durbasa among the student due to his anger. He is a benevolent person and an ideal personality for new generation.

" Om sarbe Bhavantu sukhinah, sarbe santu Nirmayah, Sarbe Bhadrani paschyantu, Ma kachita Duhkha Bhagabhavet, Om santih santih santih".■■■

■ প্ৰবন্ধ

# শংকৰদেৱ মহাবিদ্যালয়ৰ মহীৰূহৰ অৱসৰৰ মূহুৰ্তত একলম

✍ডঃ নিতুল গগৈ
সহকাৰী অধ্যাপক
শিক্ষা বিভাগ

এক বিশাল গভীৰ শান্ত ধীৰ স্থিৰ গতিশীল নদীসদৃশ সুবিশাল ব্যক্তিত্বৰ অধিকাৰী, নাম শ্ৰদ্ধাৰ অৰুণ কুমাৰ গোস্বামী ।যি নিজেও সপোন দেখে আৰু আনকো সপোন দেখুৱাব জানে।স্বপ্নদ্ৰষ্টা, শিক্ষাবিদ, কবি, সাহিত্যিক, অভিনেতা, সমাজ সংগঠক, সত্ৰীয়া সংস্কৃতিৰ সাধক গোস্বামী ছাৰৰ লগত সান্নিধ্য হৈছিল ২০০০ চনৰ জুলাই মাহৰ কোনো এটা দিনত।সেয়াই আছিল প্ৰথম চিনাকি। তাৰ পাছত ছাৰৰ লগত বহু কথা বতৰা হয় বিভিন্ন বিষয়ৰ ওপৰত।নিৰস কথাবোৰক কিদৰে ৰস দি কলেজৰ আজৰি সময়বোৰ ৰসাল কৰি তোলে সচাই আচৰিত লাগে। এক কথাত গোস্বামী ছাৰৰ কথাই সকলোকে মোহিত কৰে।২০০৪ চনত National Assessment and Accreditation Council চমুকৈ NAAC ৰ মহাবিদ্যালয় মূল্যায়নৰ সময়ত গোস্বামীছাৰে যি দুৰ্দান্ত অভিনয় কৰিছিল সি সদায় স্মৃতি হৈ ৰ'ব। আজিৰ প্ৰজন্মই হয়তো গোস্বামীছাৰৰ সেই বলিষ্ঠ অভিনয় দেখা নাপালে গোস্বামীছাৰ কেৱল কলেজ পৰিয়ালৰ মাজতে যে আবদ্ধ হৈ থাকে এনে নহয়। বৃহত্তৰ নাৰায়ণপুৰ অঞ্চলৰ এনে এটা অনুষ্ঠান নাই, যাৰ হৈতে গোস্বামীছাৰৰ সম্পৰ্ক নাই। বিভিন্ন শিক্ষানুষ্ঠান বা সামাজিক অনুষ্ঠানতে গোস্বামীছাৰৰ আশাশুধীয়া প্ৰচেষ্টা নিহিত হৈ আছে। সকলোয়ে জানে ছাৰৰ ওপৰত কোনো দায়িত্ব ন্যস্ত কৰিলে পিছহোঁহোকা নিদিয়ে কোনোদিন, বৰঞ্চ নিষ্ঠাৰে সেই দায়িত্ব পালন কৰিছিল ।বিশাল ব্যক্তিত্বৰ গৰাকী গোস্বামীছাৰক কোনোদিন পাহৰিব নোৱাৰিম। শংকৰদেৱ মহাবিদ্যালয়ৰ মহীৰূহ শ্ৰদ্ধাৰ অৰুণ কুমাৰ



গোস্বামী ছাৰে চাকৰি জীৱনৰ পৰা অৱসৰ ল'ব, মহাবিদ্যালয়ৰ এখন অভিধান স্বৰূপ গোস্বামী ছাৰ আমাৰ মাজৰ পৰা আতৰি যাব।বৰ মৰ্মান্তিক বিদায় মুহুত্ববোৰ।অৱসৰকালীন সময়বোৰ সু-স্বাস্থ্যৰ গৰাকী হৈ সমাজলৈ বহু অৰিহণা আগবঢ়াই যাওঁক তাৰ কামনা কৰিলো।■■■

■ প্ৰবন্ধ

# বৰেণ্য ব্যক্তিত্বৰ অধিকাৰী অৰুণ গোস্বামী ছাৰ

গীতালি দাস
হিন্দী বিভাগ

পথালি পাহাৰ অঞ্চলৰ এখনি অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান শংকৰদেৱ মহাবিদ্যাল্যৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ অৰুণ গোস্বামী ছাৰ এক সুবিশাল ব্যক্তিত্বৰ অধিকাৰী।ছাৰৰ মৰম স্নেহে আৰু ব্যৱহাৰে মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতিজনকে আকৰ্ষিত কৰে।মই ছাৰৰ ছাত্ৰী হিচাবে আৰু সহকৰ্মী হিচাবে পাই নিজকে ধন্য মানিছো।অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ একান্ত সাধক।গোস্বামী ছাৰ ৰ শংকৰী কৃষ্টিটো আছিল অগাধ দক্ষতা।মহাবিদ্যাল্যৰ ছাত্ৰ ছাত্ৰীৰ মাজত শংকৰী কৃষ্টিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ বৰগীত , খোল বাদন , নৃত্য, ভাওনা ইত্যাদিৰ বিজ্ঞানসন্মত প্ৰশিক্ষনৰ আয়োজন কৰাই প্ৰশিক্ষিত ছাত্ৰ ছাত্ৰীৰ দ্বাৰা বিভিন্ন সময়ত সেইবোৰ প্ৰদৰ্শন কৰাইছিল।মহাবিদ্যালয়ৰ শিক্ষকৰ সমূহীয়া কোঠাত মহাবিদ্যালয় খনৰ অগ্ৰজ সকলৰ লগত ছাৰে তত্ত্ব গধুৰ আৰু মাজে সময়ে খুহুতীয়া কথাৰে সকলোকে আপ্লোত কৰে।ছাৰে অকল অগ্ৰজ সকলৰ লগতে মধুৰ সম্পৰ্ক আছিল ,তেনে নহয় কণিষ্ঠ সকলৰ প্ৰতিও আছিল অপৰিসীম স্নেহ।কিছুদিনৰ পিছতে মহাবিদ্যালয় ৰ অধ্যাপক পদৰ পৰা ছাৰে অৱসৰ গ্ৰহণ কৰিব।আমিও মুখত হাঁহি এটা লৈ শুভ্ৰ ধুতি পাঞ্জাৰী পৰিহিত এজন পিতৃতুল্য ব্যক্তিৰ সান্নিধ্য ৰ পৰা বঞ্চিত হম।এই অভাৱ কোনো দিনে পূৰণ নহব যেন অনুভব হৈছে।ভগৱানে গোস্বামী ছাৰক কুশলে ৰাখক তাৰে কামনাৰে।■■■



# গোস্বামী চাৰৰ চেনেহী সান্নিধ্যত সাত বছৰ

✍ স্বপ্না দাস
অৰ্থনীতি বিভাগ
শংকৰদেৱ মহাবিদ্যালয়

বিশিষ্ট সাহিত্যিক, সমাজ সেৱক, সত্ৰীয়া সংস্কৃতিৰ সাধক শ্ৰী অৰুণ কুমাৰ গোস্বামী উত্তৰ অসমৰ লক্ষীমপুৰ জিলাৰ পথালিপাহাৰস্থিত শংকৰদেৱ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক। মহাবিদ্যালয়ৰ পৰিয়ালৰ সদস্য হিচাপে সুদীৰ্ঘ ৭ বছৰ তেখেতৰ চেনেহী সান্নিধ্য আৰু স্নেহাশিষ লাভ কৰাৰ পৰম সৌভাগ্য আমাৰ হৈছে।শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা গোস্বামীদেৱে শিক্ষাদানৰ সমান্তৰালকৈ ভোগপুৰৰ শিয়ালমাৰী সত্ৰৰ সত্ৰাধিকাৰ হিচাপে তেখেতে সত্ৰৰ কাম- কাজসমূহো সুচাৰুৰূপে চলাই আহিছে।তেখেতৰ উদ্যম,মনোবল,একাগ্ৰতা, কষ্টসহিষ্ণুতা আৰু অধ্যৱসায় আমাৰ বাবে সদায় প্ৰেৰণাৰ উৎস। বিভিন্ন অসমীয়া বাতৰিকাকত আৰু আলোচনীৰ পাতত তেখেতে বহুতো গল্প, উপন্যাস লিখাৰ উপৰিও নিজাববীয়াকৈ কেইবাখনো গ্ৰন্থ সম্পাদনা কৰি উলিয়াইছে।সাহিত্যৰ লগতে সংস্কৃতিৰ পথাৰখনতো গোস্বামীদেৱৰ অৱদান অনস্বীকাৰ্য।মহাবিদ্যালয়ৰ বিভিন্ন সাংস্কৃতিক কাম- কাজত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ উপৰিও ২০০৪ চনত মহাবিদ্যালয়ত 'নাক' ৰ পৰিদৰ্শনৰ সময়ত গোস্বামীদেৱৰ সবল নেতৃত্বত বিভিন্ন সাংস্কৃতিক কাৰ্যক্ৰমণিকা পৰিচালিত হৈছিল ।সদা হাস্যমুখী, মধুৰ ভাষ্যৰ অধিকাৰী গোস্বামীদেৱে মহাবিদ্যালয়ৰ শিক্ষক- কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগতো সদায় সুসম্পৰ্ক ৰক্ষা কৰি আহিছে।সত্ৰীয়া সংস্কৃতিৰ সাধক গোস্বামীদেৱে সত্ৰীয়া নৃত্য, গীত, ভাওনা আদিৰ কৰ্মশালা অনুষ্ঠিত কৰি প্ৰশিক্ষণ প্ৰদান কৰি আহিছে।অহা ৩০ নৱেম্বৰ, ২০২১ তাৰিখে তেখেতে কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পৰৱৰ্তী কালছোৱাত অসমীয়া সাহিত্য- সংস্কৃতিৰ উত্তৰণত বৰ্তী হৈ থাকিবলৈ তেওঁক সুস্বাস্থ্যৰ অধিকাৰী কৰি ৰাখিবলৈ পৰমেশ্বৰৰ ওচৰত কামনা কৰিলোঁ।■■■

■ প্ৰবন্ধ

# গোস্বামী চাৰৰ পৰ্বত সম ব্যক্তিত্বৰ ছাঁ ত আমিবোৰ

✍ভায়'লেট হাজৰিকা
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

বট গছৰ দৰে এক সমাহিত ব্যক্তিত্ব।যিজন কৰ্মময় ব্যক্তিৰ মহাবিদ্যালয়ৰ কৰ্ম জীৱনৰ অৱসৰৰ ক্ষণত দুআষাৰ লিখিবলৈ লৈ চিন্তা কৰিছোঁ কম শব্দেৰে সামৰিব পৰা যায় জানো গোস্বামী চাৰৰ বিষয়ে!

আমি শঙ্কৰদেৱ মহাবিদ্যালয়ত যোগদান কৰাৰ বহু আগৰে পৰাই শ্ৰদ্ধাৰ গোস্বামী চাৰৰ বিশাল ব্যক্তিত্ব আৰু অসমৰ সত্ৰ সংস্কৃতিৰ ক্ষেত্ৰত তেখেতৰ গভীৰ চৰ্চা আৰু অগাধ পাণ্ডিত্যৰ কথা জানি আহিছিলোঁ।এক কথাত ক'বলৈ গ'লে সত্ৰ সংস্কৃতিৰ ক্ষেত্ৰত তেখেতৰ দক্ষতা সমগ্ৰ জিলাখনৰ বাবেই গৌৰৱৰ বিষয়।তেনে এজন ব্যক্তিক আমাৰ মহাবিদ্যালয়ৰ এজন সন্মানীয় অধ্যাপক হিচাপে পোৱাটো সঁচাকৈয়ে আমাৰ মহাবিদ্যায়ৰ ছাত্ৰ - শিক্ষক - কৰ্মচাৰী সকলোৰেই বাবে সৌভাগ্য।এই মহাবিদ্যালয়ৰ এগৰাকী সদস্য হোৱাৰ পাছৰে পৰা চাৰক আৰু ঘনিষ্ঠ ভাৱে জানিবলৈ সুযোগ পালোঁ ।সত্ৰ সংস্কৃতিৰ গৌৰৱময় দিশ সমূহৰ উপৰিও চাৰৰ ব্যক্তিত্বৰ যি কথাই মোক আকৃষ্ট কৰে সেয়া হৈছে চাৰৰ সদা হাস্যমধুৰ কথনশৈলী আৰু যিকোনো পৰিস্থিতিকে সহজতে মোকামিলা কৰাৰ তেখেতৰ দক্ষতা।

চাৰক খুব বেছি দীঘলীয়া সময়ৰ বাবে লগ পোৱাৰ সৌভাগ্য নহ'ল যদিও এই এবছৰ সময়ৰ ভিতৰতে ন- পুৰণি ছাত্ৰ- ছাত্ৰী সকলৰ মাজত চাৰৰ বিপুল জনপ্ৰিয়তা সদায়ে লক্ষ্য কৰি আহিছোঁ। ছাত্ৰ - ছাত্ৰীসকলৰ মাজত গোস্বামী চাৰৰ এই জনপ্ৰিয়তাই এগৰাকী সফল শিক্ষক হিচাপে তেখেতৰ ছাত্ৰ - ছাত্ৰীসকলৰ মাজত থকা তেখেতৰ আদৰ্শৰ প্ৰভাৱকেই যেন সূচিত কৰে।আশা কৰোঁ চাৰৰ কৰ্মযোগিতাৰ আদৰ্শৰে আমাৰ উত্তৰ প্ৰজন্মই সদায়ে বাট বুলিব।আমাৰ দৃষ্টিত এইয়াই হ'ব চাৰৰ বিশাল কৰ্মৰাজীৰ প্ৰতি আমাৰ ছাত্ৰ সমাজৰ প্ৰকৃত শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

চাকৰি জীৱনৰ অৱসৰ এই ক্ষণত শ্ৰদ্ধাৰ গোস্বামী চাৰলৈ জনাইছোঁ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু অনি:শেষ শুভ কামনা।অৱসৰৰ এই সময়খিনি তেখেতৰ সদা ব্যস্ত কৰ্মসূচীৰে সদা উপভোগ্য হৈ উঠক, তাকেই পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।ভগৱানে চাৰক সু - স্বাস্থ্যৰে সুদীৰ্ঘ জীৱনৰ অধিকাৰী কৰি তোলক, আমি তাকেই বাঞ্ছা কৰিছোঁ।চাকৰি জীৱনৰ অৱসৰৰ পাছৰ সময়খিনিত অসমৰ সমাজ আৰু সাংস্কৃতিক জীৱনে চাৰৰ প্ৰজ্ঞা আৰু পাণ্ডিত্যৰ পৰা আৰু অধিক উপকৃত হব পাৰিম বুলিও আমি আশাবাদী।

অৱশেষত, প্ৰোজ্বল ব্যক্তিত্বৰ অধিকাৰী গোস্বামী চাৰক Stephen Spender ৰ বিখ্যাত কবিতা 'I Think Continually of Those Who Were Truly Great' ৰ পংক্তিৰে কৃতজ্ঞতা জনাইছোঁ,

"What is precious is never to forget.
The names of those who in their lives fought for life,
Who wore at their hearts the fire's centre.
Born of the Sun, they travelled a short while towards the Sun
And left the vivid air signed with their honour." ■■■

# অৰুণ গোস্বামী ছাৰৰ কথাৰে

✍ পৰশমনি হাজৰিকা
বুৰঞ্জী বিভাগ
শংকৰদেৱ মহাবিদ্যালয়

শংকৰদেৱ মহাবিদ্যালয়ত যোগদান কৰাৰ আগতেই শ্ৰদ্ধাৰ অৰুণ গোস্বামী ছাৰক বিভিন্ন সময়ত বিভিন্ন ঠাইত লগ পাইছিলো। বৰবালি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি থাকোতেই স্কুলৰ বাৰ্ষিক সভাবোৰত ছাৰৰ ভাষণ শুনিছিলো। শুদ্ধ বগা ধুতি পৰিহিত চাৰে এটা দীঘলীয়া ভাষণ দিছিল। যত সামাজিক, আধ্যাত্মিক আৰু তাত্ত্বিক ভাষনেৰে সকলোকে উদ্বুদ্ধ কৰিছিল। অৱশ্যে আমনিও পাইছিলো,কাৰণ সৰু সৰু লৰা ছোৱালী, এটা দীঘলীয়া ৰস নথকা ভাষণ। পিছলৈ মা ৰ মুখত প্ৰায়েই গোস্বামী ছাৰৰ ঘৰৰ কথা শুনিছিলো। ছাৰৰ ঘৰৰ সন্মুখেৰেই মামা ঘৰলৈও অহা যোৱা কৰিছিলো। আৰু একেবাৰে শেষত মহাবিদ্যালয় লৈ অহাৰ পিছত ছাৰক ওচৰৰ পৰা লগ পাইছিলো। কলেজৰ sessional পৰীক্ষাবোৰ চাৰে চলোৱাৰ বাবে ছাৰৰ ওচৰলৈ,ছাৰৰ বিভাগলৈ প্ৰায়ে অহা যোৱা কৰিছিলো।দুই এটা সাধাৰণ কথা বতৰাও পাতিছিলো। চাৰে কলেজত একেবাৰে ঘৰুৱা ভাৱত নিজৰ লৰাৰ দৰেই ব্যৱহাৰ কৰিছিল।অসমীয়া সাহিত্য, সংস্কৃতি তথা অংকীয়া বা মাতৃভাষা ৰ ভাওনাৰ ওপৰত ছাৰৰ অগাধ দখল আছিল। প্ৰায় কেইখন ভাওনা ছাৰৰ কণ্ঠস্থ আছিল। ভাগৱতৰ শ্লোক,গীতাৰ শ্লোকো আছিল ছাৰৰ জিভাৰ আগত। মাধৱদেৱ জন্মস্থানত অনুষ্ঠিত হোৱা অসম ভিত্তিক ভাওনা সমাৰোহৰ পিছদিনাৰ ঘটনা।ভাওনা ত এটা সামান্য ভুল দেখিলে চাৰে।কলেজত পিছদিনা প্ৰায়কেইজন ছাৰৰ আগতে ভাওনাৰ প্ৰৱেশ আৰু বচন মাতি শুনাইছিল চাৰে।মুঠতে প্ৰতি খন ভাওনাত ছাৰৰ অগাধ দখল আৰু জ্ঞান আছিল।

এজন শিক্ষক আৰু অভিভাৱক হিচাপে ছাৰ সকলো ফালৰ পৰাই সমৃদ্ধ আছিল।অৱসৰৰ পিছৰ সময়ছোৱা ছাৰ আৰু অধিক সামাজিক কামত সক্ৰিয় হওক। সুস্বাস্থ্য ৰ অধিকাৰী হৈ থাকক।■■■

■ প্ৰবন্ধ

# শ্ৰদ্ধাৰ অৰুণ কুমাৰ গোস্বামী ছাৰৰ সান্নিধ্যৰ দিনকেইটা

*✍প্ৰীতিৰেখা ভূঞা*
*অসমীয়া বিভাগ*
*শংকৰদেৱ মহাবিদ্যালয়*

২০১৭ চনৰ আগষ্ট মাহৰ কথা।আকস্মিকভাবেই এদিন শঙ্কৰদেৱ মহাবিদ্যালয়ত যোগদান কৰিছিলোঁ। যোগদানৰ প্ৰথম দিনটোত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধাৰ অৰুণ কুমাৰ গোস্বামী দেৱ অনুপস্থিত থকাৰ হেতু ছাৰৰ সৈতে সাক্ষাৎ ন'হল।কিন্তু বিভাগৰে অধ্যাপক স্বৰ্গীয় নবীন চেতিয়া ছাৰৰ মুখত শুনিছিলোঁ যে আমাৰ বিভাগত আৰু এজন আছে, তেখেত আকৌ 'অগ্নিশৰ্মা গোঁসাই'।এইকেইটা কথা আজিও বৰ স্পষ্টকৈ মনত আছে।পাছদিনা ছাৰৰ সৈতে চিনাকি হওঁতে সেয়ে হয়তো ভয় খাইছিলো কিছু পৰিমানে।কিন্তু আমাৰ সৌভাগ্যই নে দুৰ্ভাগ্য নাজানো, প্ৰায় সকলোৰে মুখত শুনা খঙাল ছাৰজনৰ খং কোনোদিনেই দেখি নাপালোঁ। ইয়াৰ পৰিৱৰ্তে দেখিলো অভিভাৱকত্বৰ দায়বদ্ধতাৰে আমাক আৱৰি ৰখা ছাৰৰ এক অনন্য ৰূপ।

সততে অত্যন্ত গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্বৰ গোস্বামী ছাৰৰ বিভাগত আমাৰ প্ৰতি ব্যৱহাৰ একেবাৰেই ঘৰুৱা ধৰণৰ। বিশেষকৈ যেতিয়া ছাৰৰ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকাৰ প্ৰসংগৰ অৱতাৰণা হয়, তেতিয়া ছাৰৰ হাস্যৰসিক সেই ব্যক্তিত্ব আমাৰ কল্পনাতীত আছিল। বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপকসকলৰ নকল প্ৰায়েই ছাৰে আমাক কৰি দেখুৱাইছিল।লগতে শুনাইছিল ছাৰৰ কৰ্মজীৱনৰ পৰা আৰম্ভ কৰি ব্যক্তিগত জীৱনৰ বহুতো হাস্যমধুৰ কাহিনী।

গীতাত উল্লিখিত স্থিতপ্ৰজ্ঞৰ এক আদৰ্শ উদাহৰণ শ্ৰদ্ধাৰ গোস্বামী ছাৰ।কোনো পৰিস্থিতিতে ভাগি নপৰা, আনন্দতো উদ্বাউল নোহোৱা, প্ৰতিটো পৰিস্থিতিকে বিচক্ষণতাৰে চালি জাৰি চাই সঠিক সিদ্ধান্ত গ্ৰহণ কৰা ছাৰৰ পৰা লাভ কৰিছোঁ জীৱন পৰিচালনাৰ এই জ্ঞান।বিভাগত প্ৰায়েই হোৱা সাহিত্য-সংস্কৃতিবিষয়ক আলোচনাত বহুতো কথা শিকিবলৈ পাইছোঁ ছাৰৰ পৰা।লগতে শিকিছোঁ শিক্ষক-ছাত্ৰৰ সমীহমিশ্ৰিত মধুৰ সম্পৰ্ক গঢ় দিয়াৰ ক্ষেত্ৰত শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্যবোধ।

ছাৰ প্ৰজ্ঞাৰ সাধক, মানৱসেৱক।যিগৰাকী ব্যক্তিক দেখিলে শ্ৰদ্ধাত মূৰ দোঁ খাই পৰে, যিগৰাকী ব্যক্তিৰ ছত্ৰছায়াত এটা বৃহৎ অঞ্চলৰ কেইবাটাও প্ৰজন্মই জীৱনৰ নিৰ্দিষ্ট পথৰ সন্ধান লাভ কৰিছে, যিগৰাকী ব্যক্তি এখন সমাজৰ গুৰু, তেনে এজন ব্যক্তিৰ সান্নিধ্যই আমাক ধন্য কৰিছে। বিভাগত ছাৰৰ অভাৱ আমি সকলোৱে বাৰুকৈয়ে অনুভৱ কৰিম। ভগৱন্তই ছাৰক সুস্বাস্থ্য প্ৰদান কৰক, এয়ে আমাৰ প্ৰাৰ্থনা।■■■

■ প্ৰবন্ধ

# গৱেষক পণ্ডিত গোস্বামী চাৰ

ডিঃ মাধুৰ্য ফুকন,
অসমীয়া বিভাগ
শংকৰদেৱ মহাবিদ্যালয়

' অৰুণ কুমাৰ গোস্বামী' বহুদিনৰে পৰা শুনি থকা পৰিচিত নাম।ছাৰৰ বিষয়ে প্ৰয়াত যোগেন তামুলী ছাৰ আৰু যোগেন শইকীয়া ছাৰৰ জৰিয়তে জানিছিলো। বিশেষকৈ ছাৰৰ কৰ্মদক্ষতা, অধ্যাপক জীৱন, শিয়ালমৰা সত্ৰ,সাহিত্য-সমাজ-সংস্কৃতিৰ লগত ছাৰৰ ওতপ্ৰোত সম্পৰ্কৰ বিষয়ে এই মহাবিদ্যালয়ত মই ভৰি দিয়াৰ পৰা খুব কম সময় ছাৰক লগ পাইছোঁ যদিও ছাৰৰ আন্তৰিকতা আৰু সান্নিধ্যত মুগ্ধ হ'লো।শুদ্ধ বগা সাজ পৰিহিত ছাৰৰ ব্যক্তিত্ব আৰু মোহনীয় হাঁহিটোৱে সহজে আকৰ্ষণ কৰে বুলি বিশ্বাস কৰিব পাৰি।তেখেতে অধ্যাপনাৰ সময়ছোৱাত কেইবাখনো গ্ৰন্থৰে অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।সেই সমূহ হৈছে - 'অসমীয়া সাহিত্যৰ বুৰঞ্জী '(সম্পা.), 'বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ আভাস', 'সত্ৰ সুবাস' (সম্পা.),'দিল্যি-ডিশিকা'(সম্পা.) ইত্যাদি।ইয়াৰ লগতে বিভিন্ন সময়ত ভিন্ন- গ্ৰন্থ, কাকত-আলোচনীত তেখেতে গৱেষণামূলক প্ৰবন্ধ প্ৰকাশ কৰি আহিছে।অদূৰ ভৱিষ্যতে ছাৰে সাহিত্য সমাজ সংস্কৃতিৰ লগত অধিক জড়িত হৈ কাম কৰি যাব বুলি আমি আশাবাদী।■■■



■ প্ৰবন্ধ

# গোস্বামী চাৰ : সত্ৰীয়া সংস্কৃতিৰ আধাৰ

✍ নৱজ্যোতি ভূঞা
গ্ৰন্থগাৰ সহায়ক

মোৰ শ্ৰদ্ধাৰ শিক্ষা গুৰু অৰুণ গোস্বামী ছাৰৰ সান্নিধ্য লাভ কৰিবলৈ সৌভাগ্য হৈছিল ইং 1999-2000 বৰ্ষৰ জুলাই মাহৰ এক বেশেষ তাৰিখত। মই সেই সময়ত শংকাৰ দেৱ মহাবিদ্যালয়লৈ শিক্ষা গ্ৰহণ কৰিবলৈ গৈছিলোঁ,মোৰ শিক্ষা জীৱনত লগ পোৱা সকলো গুৰুৰ ভিতৰত গোস্বামী ছাৰ আছিল অন্যতম আৰু অসাধাৰণ।

পৰৱৰ্তী সময়ত যেতিয়া মই 2004-2005 বৰ্ষত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ সহায়ক হিচাপে নিযুক্তি পাওঁ, সেই সময়ত সকলো শিক্ষা গুৰুকে নিছে ওচৰৰ পৰা পোৱা সৌভাগ্য হয় আৰু তেতিয়াই মই ছাৰৰ অধ্যাত্মিকতা, আৰু সত্ৰীয়া সংস্কৃতিৰ দিশত বেশেষ ভাৱে প্ৰভাম্বিত হৈছিলো।সচাকৈ চাৰে অসমীয়া জাতি গঠনত পূৰ্ণ সহযোগিতা আগ বঢ়ুৱাই নহয় অসমীয়া জাতিৰ মেৰুদণ্ড ডাল পোনাই ৰখাত অন্যতম ভূমিকা গ্ৰহণ কৰি আহিছে।এখন মহাবিদ্যালয়ৰ শিক্ষা গুৰুৰ দৰে মহান দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ লগতে আমাৰ জাতিটোক অঞ্চলটোক পাশ্চাত্য সংস্কৃতিৰ প্ৰভাৱ নপৰাকৈ সত্ৰীয়া সংস্কৃতিৰ প্ৰতি ধাৱমান কৰাৰ যি প্ৰয়াস কৰি আহিছে তাৰ প্ৰতি স শ্ৰদ্ধা প্ৰণাম।

যি জন শিক্ষা গুৰুৰ বিষয়ে কৈ ,লিখি শেষ কৰিব নোৱাৰি।তেখেতৰ কৰ্ম জীৱনৰ সমৰাণীয়ে যে কৰ্ম ক্ষেত্ৰ খনৰ অপূৰনিয় ক্ষতি আনিব সেয়া নিশ্চিত।

এইমুহূৰ্তত পৰম পিতা পৰামেশ্বৰৰ ওচৰত ছাৰৰ সু স্বাস্থ্য আৰু দীৰ্ঘয়াও কামনা কৰাৰ বাহিৰে আমাৰ দিবলৈ একো নাই। পুনৰ বাৰ ছাৰৰ চিৰি চৰণত প্ৰাণীপাত জনাই আমাৰ একলম সামৰণি মাৰিলো।■■■

■ প্ৰবন্ধ

# গোস্বামী ছাৰৰ সান্নিধ্যত

✍ *মাণিক শইকীয়া*
*কাৰ্যালয় সহায়ক, অধ্যয়ন কেন্দ্ৰ*
*কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়*

ভয় আৰু সঁচা আন্তৰিকতাই ভৰি থকা মোৰ শ্ৰদ্ধাৰ গোস্বামী ছাৰলৈ নিবেদিছো শতকৌতি প্ৰণাম ।হে মহান , আপোনাৰ কৰ্মময় জীৱনৰ বিয়লি বেলাত আপোনাৰ বিষয়ে লিখিব পৰা মোৰ সাহস একেবাৰে নাই তথাপিও আপোনাৰ প্ৰতি থকা মোৰ বুজাব নোৱাৰা শ্ৰদ্ধা ভক্তি আৰু আপোনাৰ আশীৰ্বাদ বিচাৰি দুশাৰি লিখাৰ মানস কৰিছো যদিও হাতখন কঁপিহে উঠিছে। ভুল হলে সেই যে গালিটো দি পুনৰ শুধৰাই দিয়া সেই গুণটো আকৌ এবাৰ চোৱাৰ প্ৰয়াস কৰিছো।প্ৰথমে শিক্ষাগুৰু পাছলৈ পিতৃগুৰু হিচাপে থকা সেই মহান গুৰুজনাই কৰ্মময় জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি যোৱা কথাটো মনে মানি লব বিচৰা নাই।সদায় ব্যতিক্ৰমি সাজ পোছাক পৰিধান কৰি থকা শিক্ষাগুৰুজন দেখা মাত্ৰকে ভক্তি আৰু শ্ৰদ্ধাৰে মনটো ভৰি পৰে। ছাৰৰ অতিকৈ জৰুৰী আৰু খঙাল হৈ আমাৰ পৰা কামটো সোনকালে আদায় কৰি গঠনমূলক পৰামৰ্শৰে আমাক কৃতাৰ্থ কৰা সেই কথাবোৰ জানো পাহৰিব পাৰিম? মহাবিদ্যালয়ত যিমানেই কৰ্মত ব্যস্ত নাথাকো কিয় ছাৰৰ ফোনটো আহিলেই মনটোক কওঁ সাৱধান জৰুৰী সেৱা মোৰ সন্মুখত হৈছে উপস্থিত,নিৰ্দেশমতেই কৰ্ম সম্পন্ন কৰিবলৈ সাজু হৈ পৰো।

শিক্ষা আৰু আধ্যাত্মিক দিশত ছাৰৰ অৱদান কোৱাৰ প্ৰয়োজন নাই।সি যি কি নহওক সামাজিকভাৱে কৰ্মপটু , আধ্যাত্মিক দিশত ঈশ্বৰৰ প্ৰতি বিশ্বাসী, মানসিকভাৱে সজাগ, আবেগিকভাবে ধীৰ স্থীৰ ব্যক্তিজনেই হ'ল গোস্বামী ছাৰ ত্যাগ আৰু জ্ঞানৰ প্ৰতিমূৰ্তি স্বৰূপ গোস্বামী ছাৰ যুগে যুগে বন্দিত আৰু সমাদৃত হৈ থাকিব আমাৰ মাজত।আপোনাৰ জ্ঞানৰ বীজ যুগে যুগে সিঁচি যাওক আৰু সেই জ্ঞানৰ পৰা সৃষ্ঠি হওক মূল্যবোধ, অহিংসা,শান্তি সম্প্ৰীতি আৰু একতাৰে সমৃদ্ধ হওক সমাজ আৰু জাতি।পৰিশেষত ছাৰৰ চৰণত প্ৰণাম জনাই একাঁজলি আশীৰ্বাদ বিছাৰিলো।

সেৱাৰে
মাণিক শইকীয়া

■ প্ৰবন্ধ

# অৰুণ গোস্বামী : উত্তমোত্তম ব্যক্তিসত্বা

✍প্ৰবীণ বৰা
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ

অৰুণ দাৰ বহুতো গুণৰ কথা সকলোৱে অকপটে স্বীকাৰ কৰিছে।সচাকৈয়ে অৰুণ দা এজন নীতিনিষ্ঠ, সত্যনিষ্ঠ, হাস্যৰসিক ব্যক্তি।আমি তেখেতৰ অন্য এটি দিশৰ বিষয়ে আলোচনা কৰিবলৈ বিচাৰিছোঁ।মানুহ জনৰ শত্ৰু নাই। সকলোৰে লগত মিলি জুলি থাকিব পৰা এজন সৰবৰহী ব্যক্তি তেওঁ। কোনো মানুহৰে বেয়া দিশটোৰ প্ৰতি তেওঁ চকু নিদিয়ে।ভুল আৰু শুদ্ধৰ সমাহাৰত হে যে মানুহ সেই কথা অৰুণ দাই খুউৱ ভালকৈ অনুধাৱন কৰে।সেয়ে তেখেতে সততে মানুহৰ সামান্যতম গুণ ৰাশিক বহু প্ৰশংসাৰে উপচাই পেলাই।অৰুণ দা পৰ চৰ্চাৰ ক্ষেত্ৰ খনৰ পৰা আতৰি থাকে।মহাপুৰুষ মাধৱদেৱৰ নাম ঘোষাৰ একান্ত অনুগামী অৰুণ দাৰ প্ৰিয় ঘোষা ফাকি হল - - -

অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে অল্প
গুণ কৰয় বিস্তাৰ॥

অৰুণ দাই এই ঘোষা ফাকিক সহৃদয়তাৰে গ্ৰহণ কৰি লৈছে আৰু মানুহৰ সামান্যতম গুণক বৃহৎ পৰিসৰত প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰে।তেখেতৰ মতে মাধৱ পুৰুষৰ নাম ঘোষাৰ সাৰ্বজনীন গ্ৰহণ যোগ্যতা আছে।বিশ্বৰ যিকোনো প্ৰান্ততে ওপৰত উল্লিখিত ঘোষা ফাকিৰ প্ৰাসংগিকতা আছে, স্থান কাল ভেদে ই অপ্ৰাসংগিক হৈ নপৰে।সচেতন ভাৱে তেওঁ নাম ঘোষাৰ বাৰ্তা প্ৰতি নিয়ত মানি চলিব বিছাৰে আৰু অন্য লোককো নাম ঘোষাৰ উপদেশ বাস্তৱ জীৱনত প্ৰয়োগ কৰিবলৈ আহ্বান জনাই।তেখেতৰ মতে সমাজ জীৱনত সততে লগ পোৱা সাহিত্য সমালোচক সকল হ'ল মাধৱ পুৰুষৰ উত্তমোত্তম ব্যক্তিসত্বাৰ জলন্ত উদাহৰণ।বিজ্ঞানৰ ছাত্ৰ হোৱাৰ বাবেই হয়তো তেওঁ প্ৰতিটো পৰিঘটনা যুক্তিৰ আধাৰত বিশ্লেষণ কৰিবলৈ শিকিলে।প্ৰগতিশীল চিন্তাৰ গৰাকী তেওঁ। অন্ধ ধৰ্মীয় বিশ্বাসক তেওঁ আকোৱালি নলয়।তেওঁ এলবাৰ্ট আইনষ্টাইনৰ সেই কথাষাৰ বৰ আদৰ কৰিছিল, " Without science religion is blind and without religion science is lame".

এইজন মহান ব্যক্তিৰ অৱসৰ গ্ৰহণে শঙ্কৰদেৱ মহাবিদ্যালয়ক প্ৰচুৰ ক্ষতিসাধন কৰিব। বিশেষকৈ ছাত্ৰ সমাজৰ অপূৰণীয় ক্ষতি হব।কিন্তু এই অৱসৰ এক গতানুগতিক প্ৰক্ৰিয়া।ই প্ৰকৃতিৰ এক অলঙ্ঘনীয় নিয়ম।এই নীতিৰ বশৱৰ্তী হৈ তেওঁ আতৰি যাব।কিন্তু আমি আশাবাদী, এই মঞ্চ ত্যাগ কৰি তেওঁ অন্য এখন মঞ্চত ভৰি দিব।সক্ৰিয় ভাৱে সমাজ জীৱনৰ অংশীদাৰ হব আৰু তাৰ দ্বাৰা নিশ্চিত ভাবে সমাজখন মহীয়ান হব।এই আশাৰে আমি অৰুণ দাৰ সুস্থ সবল এক সুদীৰ্ঘ জীৱন পৰিক্ৰমা কামনা কৰিলোঁ।■■■

# সম্পাদনা সমিতি



ড° সোনাৰাম কলিতা
উপদেষ্টা



অজিত গোস্বামী
সভাপতি



প্ৰবীণ বৰা
সম্পাদক



ব্ৰজেন শইকীয়া
সদস্য



ড০ নিতুল গগৈ
সদস্য



প্ৰবীণ কাকতী
সদস্য



ৰাজীৱ পেগু
সদস্য



প্ৰীতিৰেখা ভূঞা
সদস্যা



গীতালি দাস
সদস্য



স্বপ্না দাস
সদস্যা



ভায়'লেট হাজৰিকা
সদস্যা



# সমাপ্ত

**Shaaloprangshu :** The inaugural edition of e-magazine of Sankardeva Mahavidyalaya, Pathalipahar, Lakhimpur, edited by Prabin Borah and published by Sankardeva Mahavidyalaya Teachers and Employees Unit.